**NSD NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 29-07-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। লোকসভাত পুনৰ অপাৰেচন সিন্দূৰৰ বিশেষ আলোচনা অনুষ্ঠিত হৈছে।

২। বিৰোধীৰ হুলস্থূলৰ পৰিপ্ৰেক্ষিতত ৰাজ্যসভা আজি দিনৰ দুই বজালৈকে স্থগিত ৰাখিবলগীয়া হয়।

৩। চৰকাৰে কৃষকৰ আয় আৰু খাদ্য-শস্যৰ উৎপাদন বৃদ্ধিৰ বাবে বিগত ১০ বছৰত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে লোকসভাত প্ৰকাশ কৰিছে।

৪। আজি আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱস। বাঘৰ স্বাভাৱিক বাসস্থান সুৰক্ষিত কৰাৰ লগতে বাঘৰ সংৰক্ষণ উদ্দেশ্যে সমগ্ৰ বিশ্বতে এই দিৱস পালন কৰা হৈছে।

আৰু

৫। ঝাৰখণ্ডৰ দেওঘৰ-হান্‌ছদিহা পথত আজি পুৱা হোৱা যমুনীয়া চ'কৰ মোহনপুৰ ব্লকত হোৱা এটা দুৰ্ঘটনাত ছজন তীৰ্থযাত্ৰীৰ মৃত্যু হয়।

0000000

লোকসভাত আজি পুনৰ অপাৰেচন সিন্দূৰৰ বিশেষ আলোচনা অনুষ্ঠিত হৈছে। এই আলোচনাত অংশগ্ৰহণ কৰি গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে অপাৰেচন মহাদেৱৰ জৰিয়তে কালি সেনা বাহিনী, চি আৰ পি এফ আৰু জম্মু-কাশ্মীৰ আৰক্ষীয়ে যৌথ অভিযান চলাই পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণত জড়িত থকা তিনিটা সন্ত্ৰাসবাদীক নিহত কৰে। তেওঁ কয়, যে সন্ত্ৰাসবাদী কেইটাৰ জিম্মাৰ পৰা পেহেলগাম আক্ৰমণত ব্যৱহাৰ কৰা তিনিটা ৰাইফলো জব্দ কৰা হৈছে। নিহত সন্ত্ৰাসবাদী কেইটাৰ নাম ক্ৰমে – ছুলেইমান শ্বাহ, জিবৰাং আৰু হামজা আফগানি বুলিও গৃহমন্ত্ৰী শ্বাহে সদনক জনায়। তেওঁ কয়, যে পেহেলগাম আৰু গগনগিৰ সন্ত্ৰাসবাদী আক্ৰমণত ওতঃপ্ৰোতভাৱে জড়িত ছুলেইমান শ্বাহ আছিল প্ৰথমশাৰীৰ সন্ত্ৰাসবাদী। চোৰাংচোৱা সংস্থাই ছুলেইমানৰ ভূমিকা সন্দৰ্ভত পৰ্যাপ্ত প্ৰমাণ লাভ কৰা বুলিও গৃহমন্ত্ৰী শ্বাহে প্ৰকাশ কৰে।

মন্ত্ৰীগৰাকীয়ে কয়, যে পেহেলগামত সন্ত্ৰাসবাদীয়ে পৰিয়ালৰ সন্মুখতে নিৰীহ পৰ্যটকক নৃশংসভাৱে হত্যা কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই আক্ৰমণৰ উপযুক্ত প্ৰত্যুত্তৰ দিয়া হ'ব বুলি ঘোষণা কৰি অপাৰেচন সিন্দূৰত অনুমোদন জনাইছিল বুলি গৃহমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে পেহেলগাম আক্ৰমণত জড়িত সন্ত্ৰাসবাদীয়ে যাতে ভাৰতৰ পৰা ওলাই যাব নোৱাৰে, তাৰবাবে নিৰাপত্তা বাহিনীক ব্যৱস্থা লোৱাৰ নিৰ্দেশ দিয়া হৈছে। শ্ৰী শ্বাহে দেশৰ সশস্ত্ৰ বাহিনীক অভিনন্দন জনাই কয়, যে নিৰাপত্তা বাহিনীয়ে বহু সন্ত্ৰাসবাদীক হত্যা কৰাৰ লগতে পাকিস্তানত থকা সন্ত্ৰাসবাদী শিবিৰ ধ্বংস কৰিবলৈ সমৰ্থ হৈছিল।

পাকিস্তানক দোষমুক্ত কৰাৰ চেষ্টা কৰি প্ৰাক্তন কেন্দ্ৰীয় গৃহমন্ত্ৰী পি চিদম্বৰমে পেহেলগামত আক্ৰমণ চলোৱা সন্ত্ৰাসবাদী কেইটা পাকিস্তানৰ পৰা অহা হয়নে নহয়, তাৰ প্ৰমাণ বিচৰা কাৰ্যক গৃহমন্ত্ৰী শ্বাহে তীব্ৰ সমালোচনা কৰে।

000000000

বিৰোধীৰ হুলস্থূলৰ পৰিপ্ৰেক্ষিতত ৰাজ্যসভা আজি দিনৰ দুই বজালৈকে স্থগিত ৰাখিবলগীয়া হয়। দিনটোৰ বাবে সদনৰ কাম-কাজ আৰম্ভ হোৱাৰ সময়তে উপ-সভাপতি হৰিবংশে শূন্যকাল চলাই নিবলৈ চেষ্টা কৰে, কিন্তু বিৰোধী সদস্যসকলে বিহাৰৰ এছ্ আই আৰকে ধৰি বিভিন্ন বিষয়ত আলোচনাৰ দাবী কৰি হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে। উপ-সভাপতিয়ে কয়, যে তেওঁ বিভিন্ন বিষয়ত বিভিন্ন ৰাজনৈতিক দলৰ পৰা ২৪ টা সভাস্থগিত প্ৰস্তাৱ পাইছে, কিন্তু প্ৰস্তাৱসমূহ অগ্ৰাহ্য কৰা হৈছিল। অৱশেষত উপ-সভাপতিয়ে সদনৰ কাম-কাজ দিনৰ দুই বজালৈকে স্থগিত ৰাখিবলৈ বাধ্য হয়।

ooooooooo

নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে আজি ৫ বছৰ সম্পূৰ্ণ কৰিছে। এই ৫ বছৰত ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে দেশত সৰ্বাংগীন, অধিক অধ্যয়নকেন্দ্ৰিক আৰু ভৱিষ্যতৰ বাবে সাজু কৰি তোলা শিক্ষা ব্যৱস্থাৰ ভেটি গঢ় দিছে। এই নীতিয়ে দেশৰ বিদ্যালয়সমূহত শিক্ষাৰ্থীক পাঠ্যপুথি, মুখস্থ বা নম্বৰতেই সীমাৱদ্ধ নাৰাখি তেওঁলোকৰ প্ৰকৃত শিক্ষা লাভৰ ভেটি নিৰ্মাণ কৰিছে। এই নীতিৰ জৰিয়তে প্ৰতিজন শিক্ষাৰ্থী লাভৱান হোৱাৰ সুযোগ লাভ কৰিছে।

ooooooooo

লোকসভাত আজি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয়, যে চৰকাৰে কৃষকৰ আয় আৰু খাদ্য-শস্যৰ উৎপাদন বৃদ্ধিৰ বাবে বিগত ১০ বছৰত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। প্ৰশ্নোত্তৰ কালত এটা প্ৰশ্নৰ উত্তৰত শ্ৰী চৌহানে কয়, যে খাদ্য-শস্যৰ উৎপাদন ২০১৩-১৪ বৰ্ষৰ ২৪৬ মিলিয়ন টনৰ পৰা বৰ্তমান ৩৫৩ মিলিয়ন টনলৈ বৃদ্ধি হৈছে। তেওঁ কয়, যে দাইলৰ উৎপাদন ২০১৩-১৪ বৰ্ষত ১৬ মিলিয়ন টন আছিল আৰু বৰ্তমান ইয়াৰ পৰিমাণ ২৫ মিলিয়ন টনলৈ বৃদ্ধি হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে কৃষকৰ আয় বৃদ্ধি কৰাৰ বাবে ছটা বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে সদনত প্ৰকাশ কৰে। শ্ৰী চৌহানে কয়, যে চৰকাৰে গ্ৰহণ কৰা এই ছটা ব্যৱস্থাৰ ভিতৰত উৎপাদন বৃদ্ধি, ব্যয় সংকোচন, ক্ষতিপূৰণ আৰু উৎপাদনৰ সঠিক মূল্য প্ৰদান অন্যতম। মন্ত্ৰীগৰাকীয়ে কয়, যে ইউ পি এ চৰকাৰৰ দিনত বাজেটত কৃষিখণ্ডত আবণ্টন আছিল ২৭ হাজাৰ কোটি টকা আৰু এই পৰিমাণ এন ডি এ চৰকাৰৰ আমোলত ১ লাখ ২৭ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰা হৈছে।

ooooooooo

আজি আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱস। বাঘৰ স্বাভাৱিক বাসস্থান সুৰক্ষিত কৰাৰ লগতে বাঘৰ সংৰক্ষণ সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে সমগ্ৰ বিশ্বতে প্ৰতি বছৰে আজিৰ দিনটো আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱস হিচাপে পালন কৰি অহা হৈছে। দিৱস উপলক্ষে কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দৰ য়াদৱে বাঘৰ সংৰক্ষণৰ ক্ষেত্ৰত ভাৰতে লাভ কৰা উল্লেখযোগ্য সফলতাৰ বিষয়ে উল্লেখ কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত তেওঁ কয়, যে ৫৮ টা সংৰক্ষিত বনাঞ্চলত ৩ হাজাৰ ৬৮২ টা বাঘ সংৰক্ষণ কৰি দেশে বাঘ সংৰক্ষণৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিছে। তেওঁ কয়, যে বাঘৰ সংৰক্ষণ কেৱল এটা প্ৰজাতিৰ সংৰক্ষণ নহয়। বাঘৰ সংখ্যা বৃদ্ধিয়ে বনাঞ্চলৰ বসতি স্থানসমূহৰ পৰিৱেশ উন্নত হোৱাটোৰেই সূচাইছে। তেওঁ সকলোকে বাঘৰ সংৰক্ষণৰ বাবে আগ-ভাগ ল'বলৈ আহ্বান জনায়।

ooooooooo

ঝাৰখণ্ডৰ দেওঘৰ-হান্ছদিহা পথৰ যমুনীয়া চ'কৰ মোহনপুৰ ব্লকত আজি পুৱা হোৱা এটা দুৰ্ঘটনাত ছজন তীৰ্থযাত্ৰীৰ মৃত্যু হয়। এই ঘটনাত আন ২৪ গৰাকী তীৰ্থযাত্ৰী আহত হয়। মুঠ ৩২ গৰাকী তীৰ্থযাত্ৰী কঢ়িয়াই অনা এখন

বাছে এখন ট্ৰাকক মুখামুখিকৈ খুন্দা মৰাৰ ফলতে এই শোকাৱহ দুৰ্ঘটনাটো সংঘটিত হয়। দেওঘৰ নমনৰ জিলা আয়ুক্তই প্ৰকাশ কৰা অনুসৰি চাৰিগৰাকী তীৰ্থযাত্ৰীৰ ঘটনাস্থলীতে মৃত্যু হোৱাৰ বিপৰীতে আঘাতপ্ৰাপ্ত দুগৰাকীয়ে পাছত শেষ নিশ্বাস ত্যাগ কৰে। পৱিত্ৰ শাওন মাহ উপলক্ষে তীৰ্থযাত্ৰীসকল বাবা বৈদ্যনাথধাম মন্দিৰলৈ পূজা-অৰ্চনাৰ বাবে গৈ আছিল। তীৰ্থযাত্ৰীসকল বিহাৰৰ গয়াজী আৰু জেহানাবাদ জিলাৰ বুলি জানিব পৰা গৈছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঝাৰখণ্ডৰ দেওঘৰত আজি পুৱা সংঘটিত দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা তীৰ্থযাত্ৰীসকলৰ পৰিয়ালক সমবেদনা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে এই দুৰ্ঘটনা অত্যন্ত শোকাৱহ বুলি উল্লেখ কৰি আহতসকলৰ আশু-আৰোগ্য কামনা কৰে।

০০০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ মেনহট্টনত থকা এটা কাৰ্যালয় ভৱনৰ ভিতৰত কালি সংঘটিত গুলীচালনাৰ ঘটনাত নিউয়ৰ্কৰ আৰক্ষী বিভাগৰ বিষয়াকে ধৰি ৫ গৰাকী ব্যক্তি নিহত হোৱাৰ লগতে আন বহুকেইজন আহত হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে ২৭ বছৰীয়া এগৰাকী ব্যক্তিয়ে এই গুলীচালনা সংঘটিত কৰে। পাছত ভৱনটোৰ ৩৩ নম্বৰ মহলাত ব্যক্তিজনে নিজৰ পিষ্টলেৰে গুলীয়াই আত্মহত্যা কৰে। নিউয়ৰ্ক আৰক্ষী বিভাগে কৈছে যে এই ঘটনাৰ পাছতেই বিভাগটোৰ জৰুৰীকালীন আৰক্ষী গোটক প্ৰেৰণ কৰা হৈছে। এই ঘটনাৰ পাছতেই সাৱধানামূলক পদক্ষেপ হিচাপে পাৰ্ক এভিনিউ আৰু লোকজিনট'ন এভিনিউৰ মাজৰ পথছোৱাত বৃহৎসংখ্যক আৰক্ষী নিয়োগ কৰা হৈছে।

০০০০০০০

২০২৫ বৰ্ষৰ মহিলাৰ ফিডে দবা বিশ্বকাপ প্ৰতিযোগিতাৰ খিতাপ দখল কৰা দিব্যা দেশমুখক উভয় সদনৰ সদস্যসকলে শুভেচ্ছা জ্ঞাপন কৰে। ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশে কয়, যে খেলুৱৈগৰাকী এই প্ৰতিযোগিতাত বিজয়ী হৈ দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। তেওঁ লগতে কয়, যে দিব্যা দেশমুখে অতি কম বয়সতে নিজৰ দক্ষতাৰ পৰিচয় দিছে আৰু খেলুৱৈগৰাকীৰ এই যাত্ৰা যুৱ প্ৰজন্মৰ বাবে অনুপ্ৰেৰণাৰ উৎস। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই খেলুৱৈগৰাকীক প্ৰশংসা কৰি কয়, যে এই বিজয়ৰ বাবে সমগ্ৰ দেশ উৎফুল্লিত প্ৰতিযোগিতাৰ চূড়ান্ত খেলত দুয়োগৰাকী ভাৰতীয় খেলুৱৈ অৱতীৰ্ণ হোৱা বাবে আনন্দ প্ৰকাশ কৰে।

০০০০০০০

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কৈছে যে ২০২০বৰ্ষৰ ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে বিশ্বমানৰ শিক্ষা ব্যৱস্থাক উদ্গনি যোগোৱাৰ বাবে দাৰ্শনিক পৰিকাঠামো হিচাপে কাম কৰি আহিছে আৰু ইয়ে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ পথ হিচাপে পৰিগণিত হৈছে। নতুন দিল্লীত আজি চলিত বৰ্ষৰ অখিল ভাৰতীয় শিক্ষা সমাগমৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে ভাৰতীয় শিক্ষা ব্যৱস্থাত পৰিৱৰ্তনশীল ঢৌ আনিছে।

০০০০০০০০০

সমাপ্ত